# PM speaks on telephone with President of France

September 21, 2021

# প্ৰধান মন্ত্ৰীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সৈতে ফোন যোগে কথা পাতে

চেপ্তেম্বৰ 21, 2021

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মাননীয় ইমানুৱেল মেক্ৰন, ফ্ৰান্স গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ সৈতে ফোন যোগে কথা পাতে।

দুয়োজন নেতাই আফগানিস্তানৰ শেহতীয়া পৰিস্থিতিকে ধৰি আঞ্চলিক বিষয়সমূহৰ ওপৰত আলোচনা কৰে। এই সন্দৰ্ভত, তেওঁলোকে নিজৰ শংকা প্ৰকাশ কৰে সন্ত্ৰাসবাদ, মাদকদ্ৰব্য, বে-আইনী অস্ত্ৰ আৰু মানৱ সৰবৰাহৰ সম্ভাব্য বিস্তাৰ, আৰু লগতে মানৱ অধিকাৰ, মহিলা আৰু সংখ্যালঘুৰ অধিকাৰ নিশ্চিত কৰাৰ প্ৰয়োজনৰ বিষয়ে।

তেওঁলোকে ইণ্ডো-পেচিফিক অঞ্চলত বৰ্ধিত দ্বিপক্ষীয় সহযোগিতা, আৰু অঞ্চলটোত স্থিৰতা আৰু নিৰাপত্তা প্ৰচাৰত ভাৰত-ফ্ৰান্স অংশীদাৰিত্বই পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা নিৰীক্ষণ কৰে।

নেতাকেইজনে সন্মত হয় ঘনিষ্ঠ আৰু নিয়মীয়া আলোচনা ৰক্ষা কৰিবলৈ ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ ভিত্তিত, যি দুয়োখন দেশে গভীৰভাৱে গুৰুত্ব দিয়ে।

**নতুন দিল্লী**
**চেপ্তেম্বৰ 21, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.